# REGIONAL NEWS UNIT
# AKASHVANI, GUWAHATI
# 0000000000

**Date :** 03-03-2025
**Time :** 19-10 Hrs

***Assamese Evening Bulletin***
***Headlines***

১। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বন্যপ্ৰাণী ব্যৱস্থাপনাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু পাৰম্পৰিক জ্ঞান ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনাইছে।

২। সমবায় মন্ত্ৰী অমিত শ্বাহে আজি কৈছে, যে দুগ্ধ খণ্ডই গ্ৰাম্যাঞ্চলৰ উন্নয়ন সাধন কৰাৰ লগতে ক্ষুদ্ৰ কৃষকসকলকো সমৃদ্ধ কৰিছে।

৩। ভাৰত আৰু বেলজিয়ামে আজি ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিশেষকৈ সামুদ্ৰিক খণ্ডত প্ৰতিৰক্ষা সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ত আলোচনাত মিলিত হয়।

৪। বাংলাদেশৰ উচ্চতম ন্যায়ালয়ে বাংলাদেশ নেচনেল পাৰ্টিৰ সভানেত্ৰী খালেদা জিয়াক জিয়া দাতব্য নিধি দূৰ্নীতিৰ গোচৰত দেশখনৰ উচ্চ ন্যায়ালয়ে খাৰিজ কৰা কাৰাবাসৰ আদেশ বাহাল ৰাখিছে। *আৰু*

৫। আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতে কাইলৈ ডুবাইত অষ্ট্ৰেলিয়াৰ মুখামুখি হ'ব।

০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বন্যপ্ৰাণী ব্যৱস্থাপনাৰ ক্ষেত্ৰত কৃত্ৰিম বুদ্ধিমত্তা আৰু পাৰম্পৰিক জ্ঞান ব্যৱহাৰ কৰাৰ বাবে আহ্বান জনাইছে। তেওঁ বন্যপ্ৰাণীৰ সংঘাত আৰু বনজুই নিৰ্বাপনৰ বাবে কৃত্ৰিম বুদ্ধিমত্তা ব্যৱহাৰ কৰি বিশেষ মেপিং কৰাৰ বাবে ভাৰতৰ বন জৰীপ আৰু বিচাগ-এনৰ সৈতে সহযোগিতাৰে কাম কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। বিশ্ব বন্য প্ৰাণী সংৰক্ষণ দিৱস উপলক্ষে গুজৰাটৰ জুনাগড় জিলাৰ চাচান গীৰ ৰাষ্ট্ৰীয় বন্যপ্ৰাণী বোৰ্ডৰ সপ্তম বৈঠকত অধ্যক্ষতা কৰি তেওঁ স্থানীয় লোকৰ সহযোগিতাৰে ডলফিন সংৰক্ষণৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ডলফিন থকা অঞ্চলসমূহলৈ বিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক লৈ যোৱাৰ বাবেও তেওঁ পৰামৰ্শ আগবঢ়ায়। বৈঠকত প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ নদীসমূহত ডলফিনৰ অৱস্থিতিৰ জৰীপ কৰা প্ৰথমখন প্ৰতিবেদন মুকলি কৰে। এই প্ৰতিবেদন অনুসৰি দেশত ৬ হেজাৰ ৩২৭ টা ডলফিনৰ অৱস্থিতি ধৰা পৰিছে। দেশৰ ৮ খন জিলাৰ ২৮ খন নৈৰ ৮ হাজাৰ ৫০০ কিলোমিটাৰ অঞ্চলত এই জৰীপ চলোৱা হৈছিল। উত্তৰ প্ৰদেশত সৰ্বাধিক ডলফিন থকাৰ বিপৰীতে বিহাৰ, পশ্চিমবংগ আৰু অসমতো ভালেমান ডলফিন আছে। প্ৰধানমন্ত্ৰী মোদীয়ে জোনাগড়ত ৰাষ্ট্ৰীয় ৰেফাৰেল বন্যপ্ৰাণী কেন্দ্ৰৰ আধাৰশিলা স্থাপন কৰে। তেওঁ বন্যপ্ৰাণী সংৰক্ষণ কৰাৰ ক্ষেত্ৰত ইকো টুৰিজিমৰ ওপৰত গুৰুত্ব আৰোপ কৰে। বন্যপ্ৰাণী পৰ্যটন বিকশাই তোলাৰ ক্ষেত্ৰত যোগাযোগ ব্যৱস্থাক উন্নত কৰাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে।

০০০

সমবায় মন্ত্ৰী অমিত শ্বাহে আজি কৈছে, যে দুগ্ধ খণ্ডই কেৱল দেশৰ বিকাশত অৰিহণা যোগোৱাই নহয় এই খণ্ডই উল্লেখযোগ্যভাৱে গ্ৰাম্যাঞ্চলৰ উন্নয়ন সাধন কৰাৰ লগতে ক্ষুদ্ৰ কৃষকসকলকো সমৃদ্ধ কৰিছে। নতুন দিল্লীত আজি দুগ্ধ খণ্ডৰ বহনক্ষমতা আৰু গো-পালন সন্দৰ্ভত আয়োজিত কৰ্মশালা মুকলি কৰি শ্ৰীশ্বাহে কয়, যে দুগ্ধ খণ্ডই লগতে দেশৰ জনসাধাৰণৰ পৰিপুষ্টি যোগান ধৰিছে। দুগ্ধ খণ্ডই মহিলা সৱলীকৰণৰ ক্ষেত্ৰত এটা উল্লেখযোগ্য অৱদান আগবঢ়াইছে বুলি মত প্ৰকাশ কৰি তেওঁ কয়, যে এই খণ্ডৰ সৈতে দেশৰ ৬২ শতাংশ মহিলা জড়িত হৈ আছে। শ্ৰীশ্বাহে দেশৰ দুগ্ধ খণ্ডৰ বিপ্লৱ সাধন কৰাৰ বাবে ইয়াৰ বহনক্ষমতা আৰু গোপালনৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব প্ৰদান কৰে। দেশৰ ৮০ শতাংশ জিলাত দুগ্ধ সন্থা গঠন কৰাৰ ওপৰত তেওঁ গুৰুত্ব আৰোপ কৰে। মন্ত্ৰীগৰাকীয়ে কয়, যে জিলা পৰ্যায়ৰ দুগ্ধ সন্থা আৰু গ্ৰামাঞ্চলত দুগ্ধ উৎপাদন কৰা সন্থাসমূহে সমবায় খণ্ডৰ লগত জড়িত হৈ নথকা গোপালকসকলৰ পৰা গোৱৰ আহৰণৰ বাবে এটা বিশেষ ব্যৱস্থা গ্ৰহণ কৰাৰ প্ৰয়োজন। তেওঁ কয় যে ভালেমান কৃষকে ব্যক্তিগত দুগ্ধ সমবায় সমিতিত তেওঁলোকৰ গাখীৰ বিক্ৰী কৰি ব্যৱসায়ীকভাৱে লাভান্বিত হৈছে। অনুষ্ঠানত মীন, পশুপালন আৰু দুগ্ধ উৎপাদন দপ্তৰৰ মন্ত্ৰী ৰাজীৱ ৰঞ্জন সিঙে কয়, যে বিগত ১০ বছৰত দেশ তদুগ্ধ উৎপাদনৰ পৰিমাণ বৃদ্ধি হৈ ৬৩ শতাংশৰো অধিক হৈছে। তেওঁ কয়, যে এনে ধৰণৰ কৰ্মশালাই দুগ্ধ খণ্ডৰ লগত জড়িত কৃষকসকলৰ আয় বৃদ্ধিত সহায় কৰিব।

০০০

ভাৰত আৰু বেলজিয়ামে আজি ভাৰত প্ৰশান্ত মহাসাগৰীয় অঞ্চলৰ বিশেষকৈ সামুদ্ৰিক খণ্ডত প্ৰতিৰক্ষা সহযোগিতাৰ সম্ভাৱনাৰ বিষয়ত আলোচনাত মিলিত হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙ আজি নতুন দিল্লীত বেলজিয়ামৰ প্ৰতিৰক্ষা মন্ত্ৰী থেঅ' ফ্ৰেনকেন আৰু দেশখনৰ ৰাজকুমাৰী এষ্ট্ৰিদৰ সৈতে বৈঠকত মিলিত হয়। বৈঠকত দুয়োখন দেশৰ মাজত প্ৰতিৰক্ষাৰ উদ্যোগিক সহযোগিতা বৃদ্ধি কৰাৰ সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। প্ৰতিৰক্ষা মন্ত্ৰী ৰাজনাথ সিঙে বেলজিয়ামৰ বিনিয়োগকাৰীসকলক ভাৰতৰ প্ৰতিৰক্ষা খণ্ডত বিনিয়োগৰ বাবে আহ্বান জনায়। শ্ৰীসিঙে কয় যে, বেলজিয়ামৰ কোম্পানীসমূহে ব্যাপক পৰিমাণৰ বিনিয়োগেৰে ভাৰতত তেওঁলোকৰ ব্যৱসায় সম্প্ৰসাৰণৰ ক্ষেত্ৰত এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰিব পাৰে। এই ক্ষেত্ৰত ভাৰতীয় ব্যৱসায়ীসকলৰ সৈতে সহযোগিতাৰে কাম কৰিবলৈ তেওঁ আহ্বান জনায়। দুয়োখন দেশে প্ৰতিৰক্ষা সহযোগিতাৰ এটা পৰিকাথামো গঢ়ি তোলাৰ বাবে চুক্তি সম্পাদন কৰাত সন্মতি প্ৰকাশ কৰে।

০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুমুৰে আজি নতুন দিল্লীৰ ৰাষ্ট্ৰপতি ভৱনত অষ্টম **ভিজিটৰ্ছ** বঁটা প্ৰদান কৰে। অনুষ্ঠানত শ্ৰীমতী মুৰ্মুৰে কয়, যে দেশৰ ভালেমান শিক্ষা প্ৰতিষ্ঠানে গোলকীয় পৰ্যায়ত সাফল্য অৰ্জন কৰাৰ সম্ভাৱনা আছে। শ্ৰীমতী মুৰ্মুৰে দেশত গৱেষণাৰ পৰিসৰ বৃদ্ধি কৰাৰ প্ৰয়োজনীয়তাৰ ওপৰত গুৰুত্ব আৰোপ কৰিছে। ৰাষ্ট্ৰপতিগৰাকীয়ে কৃত্ৰিম বুদ্ধিমত্তাৰ ক্ষেত্ৰত দেশৰ উচ্চ শিক্ষা প্ৰতিষ্ঠানসমূহক নতুন পদক্ষেপ গ্ৰহণ কৰিবলৈ আহ্বান জনায়।

০০০

বাংলাদেশৰ উচ্চতম ন্যায়ালয়ে বাংলাদেশ নেচনেল পাৰ্টীৰ সভানেত্ৰী খালেদা জিয়াক জিয়া দাতব্য নিধি দূৰ্নীতিৰ গোচৰত দেশখনৰ উচ্চ ন্যায়ালয়ে খাৰিজ কৰা কাৰাবাসৰ আদেশ বাহাল ৰাখিছে। ন্যায়াধীশ

মহম্মদ আছফাকুৰ ইছলামৰ নেতৃত্বত তিনিজনীয়া আপিল বিচাৰপীঠে যোৱা ২৭ নৱেম্বৰত ঢাকা উচ্চ ন্যায়ালয়ে খালেদা জিয়াৰ বিৰুদ্ধে ৭ বছৰৰ কাৰাবাসৰ নিৰ্দেশ খাৰিজ কৰা ৰায়টো ঔচিত্য বাহাল ৰাখে। উল্লেখযোগ্য যে ২০১১ চনত তেতিয়াৰ শ্বেখ হাছিনা নেতৃত্বাধীন আৱামী লীগ চৰকাৰৰ দিনত গঠন কৰা দূৰ্নীতি নিবাৰক আয়োগে বেগম খালেদা জিয়াক তেওঁৰ প্ৰয়াত স্বামী তথা দেশখনৰ প্ৰাক্তন ৰাষ্ট্ৰপতি জিয়াউৰ ৰহমানৰ নামত গঠন কৰা জিয়া দাতব্য ন্যাসত বিদেশী পুঁজিৰ ব্যৱহাৰত ব্যাপক দূৰ্নীতি হোৱাৰ অভিযোগত বেগম জিয়াক দোষী সাব্যস্ত কৰিছিল। দেশখনৰ উচ্চতম ন্যায়ালয়ে কাৰাদণ্ডৰ আদেশ খাৰিজ কৰাৰ ফলত বেগম খালেদা জিয়াৰ দেশখনৰ নিৰ্বাচনত অৱতীৰ্ণ হোৱাৰ বাট প্ৰশস্ত হ'ল বুলি আমাৰ ঢাকাৰ সংবাদদাতাই জনাইছে।

০০০

বৈদেশিক পৰিক্ৰমা মন্ত্ৰী ড° এছ জয়শংকৰে কাইলৈৰ পৰা চৰকাৰী ভ্ৰমণসূচীৰে গ্ৰেট ব্ৰিটেইন আৰু আয়াৰলেণ্ডলৈ যাব। বৈদেশিক মন্ত্ৰালয়ে জানিবলৈ দিয়া অনুসৰি ভাৰত আৰু গ্ৰেট ব্ৰিটেইনৰ মাজত উমৈহতীয়া কৌশলগত সহযোগিতাৰ লগতে প্ৰতিৰক্ষা, সুৰক্ষা, বাণিজ্য, অৰ্থনীতি, স্বাস্থ্য, শিক্ষা আৰু জনসাধাৰণৰ সম্পৰ্ক আদি ক্ষেত্ৰত সহযোগিতা সুদৃঢ় কৰাৰ বাবে দ্বিপাক্ষিক বৈঠকত মিলিত হ'ব। ভ্ৰমণকালত ড০ জয়শংকৰে দেশখনৰ বৈদেশিক মন্ত্ৰী ডেভিদ লেমিৰ সৈতেও আলোচনাত মিলিত হব। তেওঁ লগতে আন কেইবাগৰাকীও বিশিষ্ট ব্যক্তিক সাক্ষাৎ কৰিব।

আয়াৰলেণ্ডলৈ দুদিনীয়া ভ্ৰমণসূচীৰে যাবলগীয়া বৈদেশিক পৰিক্ৰমা মন্ত্ৰীগৰাকীয়ে দেশখনৰ বৈদেশিক মন্ত্ৰী চাইমন হেৰিছৰ লগতে আন কেইবাগৰাকীও ব্যক্তিৰ সৈতে মিলিত হ'ব। তেওঁ লগতে দেশখনত থকা ভাৰতীয় সম্প্ৰদায়ৰ সদস্যসকলকো সাক্ষাৎ কৰিব। ভাৰত আৰু আয়াৰলেণ্ডে গণতান্ত্ৰিক প্ৰমূল্য, সাংস্কৃতিক সম্বন্ধ, বৰ্ধিত অৰ্থনৈতিক সহযোগিতা আদিৰ বিষয়ত বন্ধুত্বপূৰ্ণ দ্বিপাক্ষিক সম্পৰ্ক অব্যাহত ৰাখিছে।

০০০

গৃহমন্ত্ৰী অমিত শ্বাহে গোৱাত নতুন ফৌজদাৰী আইন বলবৎ কৰাৰ সন্দৰ্ভত আজি নতুন দিল্লীত এখন বৈঠকত অধ্যক্ষতা কৰে। গোৱাৰ মুখ্যমন্ত্ৰী ড° প্ৰমোদ চাৱন্ত আৰু ভালেমান শীৰ্ষ বিষয়া বৈঠকত উপস্থিত থাকে। বিগত বৰ্ষৰ এক জুলাইত সমগ্ৰ দেশতে নতুন ফৌজদাৰী আইন বলবৎ কৰা হৈছিল। ভাৰতৰ আইনী ব্যৱস্থা অধিক স্বচ্ছ পাৰদৰ্শী আৰু গ্ৰহণযোগ্য হিচাপে গঢ়ি তোলাৰ বাবে এই আইন প্ৰৱৰ্তন কৰা হৈছে।

০০০

দেশত বিগত বৰ্ষৰ পৰা মহিলাসকলৰ মাজত বিত্তীয় সজাগতা বৃদ্ধি হৈ ৪২ শতাংশ হৈছে। নতুন দিল্লীত আজি নীতি আয়োগে দেশৰ বিত্তীয় বিকাশ গাথাত মহিলাসকলৰ ভূমিকা সন্দৰ্ভত প্ৰকাশ কৰা এখন প্ৰতিবেদনত এইকথা উল্লেখ কৰিছে। সূত্ৰ অনুসৰি বিগত বৰ্ষৰ ডিচেম্বৰলৈকে প্ৰায় ২ কোটি ৭০ লাখ মহিলাই তেওঁলোকৰ জমা ধনৰ নিৰীক্ষণ কৰিছে। নীতি আয়োগৰ মুখ্য কাৰ্যবাহী বিষয়া বি ভি আৰ সুব্ৰমন্যমে মহিলা উদ্যোগীসকলৰ সৰলীকৰণৰ ক্ষেত্ৰত বিত্তীয় লেনদেনে এটা গুৰুত্বপূৰ্ণ ভূমিকা পালন কৰে বুলি অৱগত কৰিছে।

০০০

কেন্দ্ৰীয় চৰকাৰে ভাৰতীয় ৰেলৰে বিত্তীয় নিগম আৰু ইণ্ডিয়ান ৰেলৰে কেটাৰিং এণ্ড টুৰিজিম কৰ্পৰেশ্বন চমুকৈ আই আৰ চি টি চি নৱৰত্ন হিচাপে অভিহিত কৰিছে। ৰেল মন্ত্ৰালয়ৰ অধীনৰ ভাৰতীয়  ৰেলৰে বিত্তীয় নিগমে বাৰ্ষিক ২৬ হাজাৰ কোটি আৰু আই আৰ চি টি চিয়ে বাৰ্ষিক ৪ হাজাৰ কোটিৰো অধিক ৰাজহ সংগ্ৰহ কৰিবলৈ সক্ষম হৈছে। ৰেল মন্ত্ৰী অশ্বিনী বৈষ্ণৱে এই সাফল্যৰ বাবে দুয়োটা প্ৰতিষ্ঠানকে শুভেচ্ছা জ্ঞাপন কৰিছে।

০০০

আই চি চি চেম্পিয়নছ ট্ৰফী ক্ৰিকেট প্ৰতিযোগিতাৰ প্ৰথমখন ছেমিফাইনেলত ভাৰতে কাইলৈ ডুবাইত অষ্ট্ৰেলিয়াৰ মুখামুখি  হ'ব। খেলখন ভাৰতীয় সময় অনুসৰি দিনৰ ২ বাজি ৩০ মিনিটৰ পৰা আৰম্ভ হ'ব। যোৱা নিশা ডুবাইত অনুষ্ঠিত লীগ পৰ্যায়ৰ অন্তিমখন খেলত ভাৰতে-নিউজিলেণ্ডক ৪৪ ৰাণত পৰাস্ত কৰে। এই বিজয়েৰে গ্ৰুপ এত থকা ভাৰতে আটাইকেইখন মেচত জয়লাভ কৰি গ্ৰুপৰ শীৰ্ষস্থান অধিকাৰ কৰে। নিউজিলেণ্ডে অহা বুধবাৰে লাহোৰত গ্ৰুপ বিৰ বিজয়ী দল দক্ষিণ আফ্ৰিকাৰ সৈতে দ্বিতীয়খন ছেমিফাইনেলত অৱতীৰ্ণ হ'ব। প্ৰতিযোগিতাৰ ফাইনেল খেলখন অহা দেওবাৰে অনুষ্ঠিত হ'ব।

০০০

সমাপ্ত